**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-10-2025
**Time :** 21-25 Hrs

**ASSAMESE NIGHT BULLETIN**

**::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::**

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি লোকসেৱা ভৱনত আয়োজিত এটা অনুষ্ঠানত আয়ুষ্মান অসম-মুখ্যমন্ত্ৰী লোকসেৱক আৰোগ্য যোজনা আনুষ্ঠানিকভাৱে মুকলি কৰে। এই যোজনাৰ অধীনত ৰাজ্য চৰকাৰৰ কৰ্মচাৰী, পেঞ্চনাৰ আৰু তেওঁলোকৰ ওপৰত নিৰ্ভৰশীল পৰিয়ালৰ সদস্যসকলে নগদবিহীন চিকিৎসা সেৱা লাভ কৰিব। মুখ্যমন্ত্ৰীয়ে আজি আনুষ্ঠানিকভাৱে এই যোজনাৰ অধীনত ৰাজ্যিক কৰ্মচাৰীসকলৰ বাবে স্বাস্থ্য পত্ৰ প্ৰদান কৰে।

এই পদক্ষেপৰ জৰিয়তে ৰাজ্য চৰকাৰৰ বিষয়া কৰ্মচাৰী, পেঞ্চনাৰ আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলে ৰাজ্যৰ কেতবোৰ অনুমোদিত চিকিৎসালয়ৰ উপৰি দেশৰ কেবাখনো আগশাৰীৰ চিকিৎসালয়ত নগদবিহীন চিকিৎসা সেৱা লাভ কৰিব পাৰিব। অনুষ্ঠানত ভাষণ দি ড০ শৰ্মাই কয় যে এই যোজনাৰ অধীনত সৰ্বশিক্ষা অভিযান, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ তিনিওটা শক্তি কোম্পানীৰ কৰ্মচাৰী, হাজিৰাভিত্তিত নিয়োজিত কৰ্মচাৰী আৰু আন ঠিকাভিত্তিক কৰ্মচাৰীসকলকো সামৰি লোৱা হব।

কেন্দ্ৰীয় চৰকাৰে অষ্টম দৰমহা আয়োগ গঠনৰ জাননী জাৰি কৰা সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে অসম চৰকাৰৰ কৰ্মচাৰীসকলেও যাতে কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰা দিনাৰ পৰাই নতুন দৰমহা আয়োগৰ সুবিধা লাভ কৰিব পাৰে তাৰ বাবে অসম চৰকাৰেও শীঘ্ৰে দৰমহা আয়োগ গঠন কৰিব।

আজিৰ অনুষ্ঠানত মুখ্য সচিব ড০ ৰবি কোটাকে ধৰি ৰাজ্য চৰকাৰৰ কেইবাগৰাকী জ্যেষ্ঠ বিষয়া আৰু বিভিন্ন চিকিৎসালয়ৰ প্ৰতিনিধি উপস্থিত থাকে।

০০০০

অহা ৩১ অক্টোবৰত মুক্তি পাবলগীয়া প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ জীৱনৰ শেষৰখন ছবি **ৰৈ ৰৈ বিনালে**ৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰে এমাহত সংগ্ৰহ কৰা জি এছ টিৰ ধনৰাশি কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেছনক উভতাই দিয়া হ'ব। জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গৰ সৈতে আলোচনাৰ অন্তত শিল্পীগৰাকীয়ে প্ৰতিষ্ঠা কৰা কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেছনক এই ধন প্ৰদান কৰাৰ সিদ্ধান্ত লোৱা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি দিশপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ পাছত এখন সংবাদমেলত এইকথা প্ৰকাশ কৰে। ড০ শৰ্মাই কয়, যে অসমত কোনো ছবিৰ বাবে মনোৰঞ্জন কৰ লোৱা নহয়। কিন্তু ভাৰত চৰকাৰে ছবিৰ টিকটৰ বিনিময়ত কৰ সংগ্ৰহ কৰে। এশ টকাতকৈ অধিক মূল্যৰ টিকটত ১৮ শতাংশ আৰু এশ টকাতকৈ কম মূল্যৰ টিকটত ৫ শতাংশ জি এছ টি সংগ্ৰহ কৰা হয়। এই কৰ এমাহৰ পাছত সংগ্ৰহ কৰা মুঠ জি এছ টিৰ ৫০ শতাংশ ৰাজ্য চৰকাৰক ওভতাই দিয়ে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

**বাইট**

০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে হাইস্কুল শিক্ষান্ত পৰীক্ষা ২০২৬ ৰ প্ৰপত্ৰ পূৰণৰ বাবে অহা ১ নৱেম্বৰৰ পৰা ৬ নৱেম্বৰলৈ অনলাইন পোৰ্টেল পুনৰ মুকলি কৰাৰ কথা ঘোষণা কৰিছে। এই সন্দৰ্ভত পৰিষদে এখন অধিসূচনা জাৰি কৰি যিসমূহ পঞ্জীয়নকৃত বিদ্যালয়ে এতিয়াও প্ৰপত্ৰ পূৰণৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা নাই সেই বিদ্যালয়সমূহক নিৰ্ধাৰিত সময়ৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ আহ্বান জনাইছে। ১ ৰ পৰা ৬ নৱেম্বৰলৈ অনলাইন পোৰ্টেলৰ জৰিয়তে প্ৰপত্ৰ পূৰণ কৰা পৰীক্ষাৰ্থীসকলক দৰিদ্ৰ সীমাৰেখাৰ ওপৰৰ বুলি গণ্য কৰা হব বুলি নিৰ্দেশটোত উল্লেখ কৰা হৈছে।

০০০০

ইউ পি পি এল দলে ভাৰতীয় জনতা পাৰ্টীৰ সৈতে মিত্ৰতা সন্দৰ্ভত অহা ডিচেম্বৰত হবলগীয়া দলটোৰ ত্ৰিবাৰ্ষিক সন্মিলনত অন্তিম সিদ্ধান্ত  গ্ৰহণ কৰিব বুলি দলৰ সাধাৰণ সচিব ৰাজু কুমাৰ নাৰ্জাৰীয়ে প্ৰকাশ কৰিছে। কোকৰাঝাৰত আজি এখন সংবাদ মেলত নাৰ্জাৰীয়ে ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চাৰ সৈতে ইউ পি পি এলৰ স্থিতি সন্দৰ্ভত কয় যে দলৰ হাইকমাণ্ডে এই সন্দৰ্ভত এতিয়াও চূড়ান্ত সিদ্ধান্ত লোৱা নাই। বৰ্তমানলৈকে ইউ পি পি এলে ৰাজ্যিক আৰু কেন্দ্ৰীয় পৰ্যায়ত এন ডি এৰ সৈতে মিত্ৰতা বাহাল ৰাখিব বুলি তেওঁ উল্লেখ কৰে। ইউ পি পি এলে সম্প্ৰতি সমাগত অসম বিধানসভা নিৰ্বাচনৰ পূৰ্বে বিটিআৰত দলৰ সাংগঠনিক ভেটি সুদৃঢ় কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে বুলি শ্ৰীনাৰ্জাৰীয়ে উল্লেখ কৰে।

০০০০

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকাই ইংলেণ্ডক জয়ৰ বাবে ৩২০ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ইংলেণ্ডে আমালৈ বাতৰি অহা পৰলৈ ৩৯ অভাৰত ৯ টা উইকেট হেৰুৱাই  ১৭৫ ৰাণ কৰি খেলি আছে। ইয়াৰ পূৰ্বে দক্ষিণ আফ্ৰিকাই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ৫০ অ'ভাৰত ৭টা উইকেট হেৰুৱাই ৩১৯ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ অধিনায়ক লওৱা ওলভাৰ্ডটে সৰ্বাধিক ১৬৯ ৰান কৰাৰ লগতে তাজমিন ব্ৰিট্‌ছে ৪৫ ৰান কৰে। ইংলেণ্ডৰ ছফি এক্লেষ্টনে চাৰিটা উইকেট দখল কৰাৰ বিপৰীতে লৰেন বেলে দুটা আৰু নাট চিভাৰ ব্ৰাণ্টে এটা উইকেট লাভ কৰে।

০০০০

**ঃঃ সমাপ্ত ঃঃ**